# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 03-05-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৰত ভ্ৰমণৰত এংগ'লাৰ ৰাষ্ট্ৰপতি জোৱাঅ' মেনুৰেল গনক্লেভছ ল'ৰেনকোৰ সৈতে নতুন দিল্লীত প্ৰতি পৰ্যায়ৰ বৈঠকত মিলিত হ'ব।

২। মুম্বাইত অনুষ্ঠিত বিশ্ব দৃশ্য-শ্ৰাব্য আৰু মনোৰঞ্জন সন্মিলন- ৱেভছ ২০২৫ত কালি ক্ৰিয়েট ইন ইণ্ডিয়া চেলেঞ্জ, চি আই চিৰ প্ৰথম সত্ৰ সম্পন্ন হয়।

৩। ৫৬ দশমিক ৪-১ শতাংশ ভোটদানেৰে অসমত কালি পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন হয়।

৪। মাদক দ্ৰব্য নিয়ন্ত্ৰণ সংস্থাৰ অমৃতসৰৰ ক্ষেত্ৰীয় গোটে ৫৪৭ কোটি টকা মূল্যৰ নিচাযুক্ত সামগ্ৰী জব্দ কৰাৰ লগতে ১৫ জন লোকক গ্ৰেপ্তাৰ কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি গুজৰাট টাইটানছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৩৭ ৰানত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৰত ভ্ৰমণৰত এংগ'লাৰ ৰাষ্ট্ৰপতি জোৱাঅ' মেনুৰেল গনক্লেভছ ল'ৰেনকোৰ সৈতে নতুন দিল্লীত প্ৰতি পৰ্যায়ৰ বৈঠকত মিলিত হ'ব। এই বৈঠকত বিভিন্ন ক্ষেত্ৰত ভাৰত আৰু এংগ'লাৰ দ্বিপাক্ষিক সম্পৰ্ক আৰু সহযোগিতা উন্নীত কৰাৰ লক্ষ্যৰে কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ সম্ভাৱনা আছে। তিনিদিনীয়া ভাৰত ভ্ৰমণৰ উদ্দেশ্যে এংগ'লাৰ ৰাষ্ট্ৰপতিগৰাকী কালি নতুন দিল্লীত উপস্থিত হৈছিল। ৰাষ্ট্ৰপতিগৰাকীক বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী কীৰ্তি বৰ্দ্ধন সিঙে কালি বিমান বন্দৰত বিশেষ আদৰণি জনাইছিল। এংগ'লাৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে দেশখনৰ কেইবাগৰাকীও মন্ত্ৰী, জ্যেষ্ঠ চৰকাৰী বিষয়া, উদ্যোগীক প্ৰতিষ্ঠান আৰু সংবাদ মাধ্যমৰ এটা উচ্চস্তৰীয় প্ৰতিনিধিৰ দল ভাৰত ভ্ৰমণলৈ আহিছে। এংগ'লাৰ ৰাষ্ট্ৰপ্ৰধানগৰাকীক ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি আজি ৰাষ্ট্ৰপতিভৱনত বিশেষভাৱে আদৰণি জনাব। শ্ৰীমতী মুৰ্মুৱে অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে বৈঠকত মিলিত হোৱাৰ লগতে তেওঁ সন্মানাৰ্থে অভ্যৰ্থনা অনুষ্ঠানৰো আয়োজন কৰিব। উল্লেখযোগ্য যে ৩৮ বছৰৰ পাছত এংগ'লাৰ ৰাষ্ট্ৰপতিগৰাকী ভাৰত ভ্ৰমণলৈ আহিছে। এই বছৰতে দুয়োখন দেশৰ মাজত স্থাপিত কূটনৈতিক সম্পৰ্কই ৪০ বছৰ সম্পূৰ্ণ কৰাৰ সময়তে এংগ'লাৰ ৰাষ্ট্ৰপতিগৰাকী ভাৰত ভ্ৰমণলৈ আহিছে।

কাইলৈ ৰাষ্ট্ৰপতি ল'ৰেনকোৱে দুয়োখন দেশৰ মাজত বিনিয়োগ আৰু ব্যৱসায়িক সম্বন্ধ প্ৰসাৰৰ লক্ষ্যৰে নতুন দিল্লীত হ'বলগীয়া এখন ব্যৱসায়িক বৈঠকত অংশগ্ৰহণ কৰিব।

ooooo

এতিয়া শুনক ৱেভছ সন্মিলনৰ বাতৰি **(মনতাজ)**

মুম্বাইত অনুষ্ঠিত বিশ্ব দৃশ্য-শ্রাব্য আৰু মনোৰঞ্জন সন্মিলন- ৱেভছ ২০২৫ত কালি ক্রিয়েট ইন ইণ্ডিয়া চেলেঞ্জ, চি আই চিৰ প্রথম সত্র সম্পন্ন হয়। **চি আই চিৰ অধীনত ৩২টা বিভিন্ন প্রত্যাহ্বান** শিতানৰ বিজয়ীসকলক এই সন্মিলনত সন্মান হয়। ইয়াত সংবাদ মাধ্যমত আৰু মনোৰঞ্জন উদ্যোগৰ এনিমেচন, গেমিং, চলচ্চিত্র নির্মাণ, সংগীত আৰু ডিজিটেল কলাৰ লগতে বিভিন্ন ক্ষেত্রক অন্তর্ভুক্ত কৰা হৈছে। এই প্রতিযোতিতাত ৬০ খনতকৈও অধিক দেশৰ হেজাৰোধিক আন্তঃৰাষ্ট্রীয় প্রতিযোগীৰ লগতে এক লাখতকৈ বেছি লোকে পঞ্জীয়ন কৰিছে। এই প্রতিযোগিতাই উদীয়মান প্রতিভাৰ লগতে যুৱ সমাজৰ সৃষ্টিশীলতা প্রদর্শনৰ বাবে এক বিশ্বজনীন মঞ্চ প্রদান কৰিছে।

তথ্য আৰু সম্প্রচাৰ মন্ত্রী অশ্বিনী বৈষ্ণৱে ইয়াক এক ঐতিহাসিক মুহূর্ত বুলি প্রকাশ কৰি কয়, যে প্রথমবাৰৰ বাবে সৃজনীশীলতাৰ ক্ষেত্রত কোনো পুৰস্কাৰ দিয়া হৈছে। তেওঁ কয়, যে এই পদক্ষেপৰ জৰিয়তে সৃষ্টিশীল লোকসকলে নতুন সুযোগৰ জগতখনত প্রৱেশ কৰিছে। শ্রীবৈষ্ণৱে কয়, যে এই সন্মিলনে প্রতিভাশালী যুৱ প্রজন্মক তেওঁলোকৰ প্রতিভা প্রদর্শনৰ সুযোগ প্রদান কৰিছে। তেওঁ কয়, যে এই সন্মিলন সংবাদ মাধ্যম আৰু মনোৰঞ্জনৰ ক্ষেত্রখনৰ বাবে এক মাপকাঠি হিচাপে পৰিগণিত হৈছে।

কেন্দ্রীয় তথ্য আৰু সম্প্রচাৰ ৰাজ্যমন্ত্রী ড০ এল মুৰুগানে যুৱ প্রজন্মই সৃষ্টিশীলতাৰ সৈতে প্রযুক্তিক জড়িত কৰি কাম কৰাৰ এয়া এক সুন্দৰ উদাহৰণ বুলি প্রকাশ কৰিছে।

আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা কথা বতৰাত সংগীতৰ **ৱাহ ওস্তাদ** শিতানত পুৰস্কাৰ বিজেতা অৱধ আহমেদে কয়, যে এই সন্মিলনে শাস্ত্রীয় সংগীতৰ বিকাশ আৰু প্রচাৰৰ ক্ষেত্রত এখন মঞ্চ প্রদান কৰিছে।

**এনিমেচনৰ অন ৰিয়েল চিনেমেট্রিক্স চেলেঞ্জ** শ্রেণীত পুৰস্কাৰপ্রাপ্ত সঞ্জয় ছেন্থেল কুমাৰে আকাশবাণীৰ সংবাদদাতাৰ আগত ৱেভছ সন্মিলনে তেওঁক ইফেক্টিভ আৰ্টিষ্ট আৰু থ্রী-ডি জার্নেলিষ্ট হোৱাৰ সপোন পূৰণত সহায় কৰিব বুলি মত প্রকাশ কৰিছে।

**(মনতাজ)**

০০০০০

অসমত কালি অনুষ্ঠিত পঞ্চায়ত নির্বাচনৰ প্রথম পর্যায়ৰ ভোটগ্রহণ শান্তিপূর্ণভাৱে সম্পন্ন হয়। এই নির্বাচনত ৫৬ দশমিক ৪-১ শতাংশ ভোটদান সম্পন্ন হৈছে বুলি ৰাজ্যিক নির্বাচন আয়োগে প্রকাশ কৰিছে। প্রথম পর্যায়ৰ ভোটগ্রহণত তিনিচুকীয়া, ডিব্রুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্রীভূমিত জিলাক সামৰি লোৱা হৈছে।

অহা ৭ মে'ত পঞ্চায়ত নির্বাচনৰ দ্বিতীয় পর্যায়ৰ ভোটগ্রহণ অনুষ্ঠিত হ'ব। এই পর্যায়ত ধুবুৰী, দক্ষিণ শালমাৰা, মানকাচৰ, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ মেট্ৰ', হোজাই, নগাঁও, মৰিগাঁও আৰু দৰং জিলাক সামৰি লোৱা হৈছে। অহা ১১ মে'ত দুয়োটা পর্যায়ৰ ভোটগণনা কৰা হ'ব।

অসম ৰাজ্যিক নির্বাচন আয়োগৰ তথ্য অনুসৰি মুঠ এক কোটি ৮০ লাখ ৩৬ হাজাৰ ৬৮২ গৰাকী ভোটাৰে ২১ হাজাৰ ৯২০ গৰাকী গাঁও পঞ্চায়তৰ সদস্য, দুহেজাৰ ১৯২ গৰাকী গাঁও পঞ্চায়তৰ সভাপতি, দুহেজাৰ ১৯২ গৰাকী আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু ৩৯৭ গৰাকী জিলা পঞ্চায়তৰ সদস্যক নির্বাচিত কৰিব। ৰাজ্যখনৰ সংবিধানৰ ষষ্ঠ অনুসূচীৰ অন্তর্গত ৭ খন জিলাত স্বায়ত্তশাসিত পৰিষদৰ নির্বাচন অনুষ্ঠিত

হয়। এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত ৰাজ্যিক নিৰ্বাচন আয়োগে ই ভি এমৰ পৰিৱৰ্তে বেলট কাগজেৰে সুচাৰুৰূপে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ মুঠ এক লাখ ২০ হাজাৰ ভোটগ্ৰহণ কৰ্মী নিয়োগ কৰিছে।

০০০০০

মাদক দ্ৰব্য নিয়ন্ত্ৰণ সংস্থাৰ অমৃতসৰৰ ক্ষেত্ৰীয় গোটে চাৰিখন ৰাজ্যত চাৰিমাহজোৰা অভিযান চলাই ৫৪৭ কোটি টকা মূল্যৰ নিচাযুক্ত সামগ্ৰী জব্দ কৰাৰ লগতে ১৫ জন লোকক গ্ৰেপ্তাৰ কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে এই কথা উল্লেখ কৰে। শ্ৰীশ্বাহে মাদক দ্ৰব্য নিয়ন্ত্ৰণ সংস্থাক এই সফলতাৰ বাবে অভিনন্দন জ্ঞাপন কৰি কয়, যে ভাৰতে অতি কঠোৰ হাতেৰে নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে যুঁজ কৰি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাদক দ্ৰব্যমুক্ত ভাৰত গঢ়ি তোলা লক্ষ্যৰ ক্ষেত্ৰত এয়া এক বৃহৎ পদক্ষেপ বুলিও গৃহমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

চিলিৰ দক্ষিণ উপকূল অঞ্চলত ৭.৪ ৰিখটাৰ স্কেলৰ ভূমিকম্পৰ পিছত সংশ্লিষ্ট কৰ্তৃপক্ষই চুনামীৰ সতৰ্কবাণী জাৰি কৰিছে। এই সতৰ্কবাণীৰ পাছতেই চিলি আৰু আৰ্জেণ্টিনাৰ উপকূলীয় অঞ্চলসমূহ খালী কৰা হৈছে। কেপ হৰ্ণ আৰু এন্টাৰ্কটিকাৰ মাজত মাত্ৰ ১০ কিলোমিটাৰ গভীৰতাত ভূমিকম্প অনুভূত হয়। দক্ষিণ আমেৰিকাৰ দক্ষিণ প্ৰান্তত হোৱা এই ভূমিকম্পৰ পিছতে হাজাৰ হাজাৰ লোক নিৰাপদ ঠাইলৈ স্থানান্তৰিত হৈছে। চিলিৰ দুৰ্যোগ সংস্থাৰ এটা সূত্ৰই জনোৱা মতে, কম জনবসতিপূৰ্ণ পুয়েৰ্টো উইলিয়ামছ আৰু পুয়েৰ্টো নাটালেছ অঞ্চলৰ ১৭০০ৰো অধিক লোকে নিৰাপদ স্থানলৈ স্থানান্তৰিত হৈছে। ইফালে আৰ্জেণ্টিনাৰ উপকূল অঞ্চলৰ পৰা প্ৰায় ২০০০ লোকক স্থানান্তৰিত কৰা হৈছে।

০০০০০

ভাৰতৰ ৰিজাৰ্ভ বেংকে প্ৰকাশ কৰা শেহতীয়া তথ্য অনুসৰি ২০২৪-২৫ বিত্তীয় বৰ্ষত ভাৰতৰ মুঠ ৰপ্তানিয়ে সৰ্বকালৰ সৰ্বোচ্চ ৮২৪.৯ বিলিয়ন ডলাৰ স্পৰ্শ কৰিছে। বিগত বৰ্ষৰ তুলনাত মুঠ ৰপ্তানিৰ হাৰ ৬.০১শতাংশ বৃদ্ধি পাইছে। সেৱাৰ ৰপ্তানিৰ হাৰ ১৩.৬ শতাংশ বৃদ্ধি পাই সৰ্বকালৰ সৰ্বোচ্চ ৩৮৭.৫ বিলিয়ন ডলাৰ হৈছে। কেৱল মাৰ্চ মাহত সেৱাৰ ৰপ্তানি ১৮.৬ শতাংশ বৃদ্ধি পাই ৩৫.৬ বিলিয়ন ডলাৰ হৈছে। এই নতুন পৰিসংখ্যাই বাণিজ্য মন্ত্ৰালয়ৰ পূৰ্বৰ অনুমান ৮২০.৯৩ বিলিয়ন ডলাৰ অতিক্ৰম কৰিছে আৰু আশা কৰাতকৈ অধিক শক্তিশালী বাণিজ্য আৰু সেৱাৰ প্ৰদৰ্শন প্ৰতিফলিত কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগীতাৰ এখন খেলত কালি নিশা আহমেদাবাদত গুজৰাট টাইটানছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৩৮ ৰানত পৰাস্ত কৰে। নিৰ্ধাৰিত ২০অভাৰত গুজৰাট টাইটানছে ৬টা উইকেটৰ বিনিময়ত ২২৪ ৰান সংগ্ৰহ কৰে। গুজৰাট টাইটানছ দলৰ অধিনায়ক শুভমন গিলে ৩৮টা বলত ৭৬ ৰান সংগ্ৰহ কৰে আৰু জোছ বাটলাৰে ৩৭টা বলত ৬৪ ৰান সংগ্ৰহ কৰে। হায়দৰাবাদৰ হৈ জয়দেৱ উনাদকাটে তিনিটা উইকেট দখল কৰে আৰু পেট কামিন্স আৰু জীশন আনছাৰীয়ে এটাকৈ উইকেট দখল কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৮৬ ৰান কৰিবলৈ সমৰ্থ হয়। হায়দৰাবাদৰ হৈ অভিষেক শৰ্মাই ৪১টা বলত ৭৪ ৰান সংগ্ৰহ কৰে। গুজৰাট টাইটানছৰ *প্ৰসিদ্ধ কৃষ্ণই মাত্ৰ ১৯ ৰান দি ২টা উইকেট দখল কৰি মেন অব দা মেচ খিতাপ দখল কৰে। আজি বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ ৰয়েল চেলেঞ্জাৰচ বেংগালুৰুৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া ০৭:৩০ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত